৪ পৃষ্ঠাত
১০ পৃষ্ঠাত

াণী
ত
ুহৰ
ৰিচয়।
— গ্যেটে

# অসম আদিত্য

RNI REGN. No. : ASSAS
epaper.asomadity
Portal : www.asoma
e-mail : asomaditya

১৮৯ ■ ২৯ আহাৰ, ১৯৪৭ শক ■ সোমবাৰ, ১৪ জুলাই, ২০২৫ ■ Asom Aditya, Dibrugarh, Monday, July 14, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত

স্বাস্থ্য

চৰ্দিত গৰম বুট ৰুমালত বান্ধি
পোৱা যায়। সঘনে ভোক
এই খাদ্য এবাতি তিয়া
লাগে। বুট তিয়াই থো
বন্ধ হয়। লগতে ৰক্ত

### মস্কোত অনুষ্ঠিত হ'ল অসম সাহিত্য সভাৰ মৈত্ৰীবন্ধন কাৰ্যসূচী

# ৰাছিয়াত সৰ্বগুণাকৰ শ্ৰীমন্ত শংকৰদেৱক লৈ চৰ্চা

**ষ্টাফ ৰিপৰ্টাৰ, ১৩ জুলাই ঃ** অসম সাহিত্য সভা আন্তঃৰাজ্যিক বিদেশ মৈত্ৰীবন্ধন উপ-সমিতি, সত্ৰাধিকাৰ ভদ্ৰ কৃষ্ণ গোস্বামী স্মৃতিৰক্ষা সমিতি আৰু দ্যা কুৰেষ্টৰ উদ্যোগত ব্ৰহ্মপুত্ৰৰ পৰা মস্কোভালৈ কলা আৰু ধাৰণাৰ সংগম, অসম মস্কো সমন্বয় সেতু, ইণ্ডো-ৰাছিয়ান সাংস্কৃতিক সন্ধিয়া শীৰ্ষক এক মননশীল কাৰ্যসূচী ১২ জুলাইৰ সন্ধিয়া মস্কোস্থিত দ্যা ধাৰা, লেনিনস্কাই প্ৰচপেক্ট-১৪৬ত অনুষ্ঠিত হয়। অনুষ্ঠানটিত অসম সাহিত্য সভা আন্তঃৰাজ্যিক বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহবায়ক তথা ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰি কয়— এনেধৰণৰ অনুষ্ঠান অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামী, উপ-সভাপতি পদুম ৰাজখোৱা আৰু প্ৰধান সম্পাদক দেৱজিত বৰাই যথেষ্ট উৎসাহ প্ৰদান কৰিছে। লগতে তেওঁ অসম সাহিত্য সভাই সমগ্ৰ পৃথিৱীত অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি প্ৰচাৰ, প্ৰসাৰ আৰু উত্তৰণ কৰাৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে বুলিও উল্লেখ কৰে। অনুষ্ঠানটিত সত্ৰাধিকাৰ ভদ্ৰ কৃষ্ণ গোস্বামী স্মৃতিৰক্ষা সমিতিৰ হৈ মৈত্ৰীবন্ধনৰ সদস্য মিতালী গোস্বামীয়ে কেনেকৈ ৰাছিয়াত Vladimir Trochinয়ে শ্ৰীমন্ত শংকৰদেৱৰ জীৱনৰ স'তে জড়িত হৈ থকা কেতবোৰ কাল্পনিক ছবি সমগ্ৰ বিশ্বত প্ৰচাৰ কৰি আহিছে সেই বিষয়ে উপস্থিত সকলোকে অৱগত কৰে। অনুষ্ঠানত Vladimir Trochinয়ে শ্ৰীমন্ত শংকৰদেৱৰ বৈষ্ণৱ ধৰ্মক কেনেকৈ চিত্ৰ অংকনৰ জৰিয়তে সমগ্ৰ বিশ্বত প্ৰচাৰ কৰিছে সেই বিষয়ে পি পি টিৰ দ্বাৰা সুন্দৰভাৱে প্ৰদৰ্শন কৰে। মৈত্ৰীবন্ধনৰ কাৰ্যকৰী সভাপতি ড০ যোগেন চন্দ্ৰ কলিতাই অসম আৰু ৰাছিয়াৰ মাজৰ সম্পৰ্ক কেনেকৈ যুগ যুগ ধৰি কটকটীয়া হৈ আহিছে সেই বিষয়ে অৱগত কৰাৰ লগতে এসময়ৰ অসমৰ পৰা প্ৰকাশিত 'ছোভিয়েট ৰাছিয়া' শীৰ্ষক আলোচনীখনৰ কথাও অৱগত কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত গোস্বামীয়ে ভিডিঅ'ৰ যোগেদি প্ৰেৰণ কৰা এটা বাৰ্তা প্ৰদৰ্শন কৰা হয়। মস্কোৰ ভাৰতীয় দূতাবাসৰ জৱাহৰলাল নেহৰু সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক মধুৰ কংকনা ৰয়ে এনেধৰণৰ এক আটকধুনীয়া কাৰ্যসূচী অনুষ্ঠিত কৰাৰ বাবে আনন্দ প্ৰকাশ কৰাৰ লগতে এনে এটি সুন্দৰ অনুষ্ঠানত তেওঁ উপস্থিত থাকবলৈ পাই আৱেগিক হৈ পৰে। ৰয়ে কয়— এনেধৰণৰ অনুষ্ঠানৰ জৰিয়তে অসম আৰু ৰাছিয়াৰ মাজৰ সম্পৰ্ক অধিক মধুৰ হ'ব। অসমৰ বিহু দলটোৰ বিহু নৃত্যৰ তালে তালে ৰাছিয়ানসকলে বিহু নৃত্য কৰি পৰিৱেশ অতি উপভোগ্য কৰি তোলে। অনুষ্ঠানত ড০ বলেন্দ্ৰ কুমাৰ দাসেও মননশীল বক্তব্য প্ৰদান কৰে। কাৰ্যসূচীত অসমৰ বিভিন্নজনৰ লগতে ৰাছিয়ানসকলেও গীত-নৃত্য পৰিৱেশন কৰি অনুষ্ঠানটি অধিক উপভোগ্য আৰু সুন্দৰ কৰি তোলে।

## সাহিত্য পৰিষদৰ